
চমস্কি-আৱিষ্কৃত ৰূপান্তৰ স্ফোট ব্যাকৰণ তিনিটা ভাগত বিভক্ত ঃ বাক্যতাত্ত্বিক, ধ্বনিতাত্ত্বিক, আৰু অৰ্থতাত্ত্বিক। প্ৰতিটো ভাগত আকৌ কেইবাগোটো নিয়ম থাকে, আৰু প্ৰতিগোট নিয়মে মুঠ চাৰিটা স্তৰত ঃ ধ্বনি, অৰ্থ, আৰু বাক্যৰ দুই স্তৰ — গূঢ় গাঁথনি (Deep structure) আৰু বহিৰ্গাঁথনিৰ (Surface structure) স্তৰত একোটাহঁত বাক্যৰ ভাষাবৈজ্ঞানিক বিৱৰণ দিয়ে। চমস্কিৰ মতে, মানুহে গূঢ় গাঁথনিত কথাবোৰ ভাবে, আৰু বহিৰ্গাঁথনিত তাৰ বাহ্যিক প্ৰকাশ ঘটে।

**বৃক্ষচিত্ৰ - ১**




খণ্ডবাক্য গাঁথনিক নিয়ম আৰু শব্দকোষে সূত্ৰৰ সাধনৰ দ্বাৰা বাক্যৰ গূঢ় গাঁথনি উৎপাদন কৰে। খণ্ডবাক্য গাঁথনিৰ একেবোৰ নিয়মকে পুনঃ পুনঃ প্ৰয়োগ কৰিব পৰা যায় বাবে শব্দকোষৰ সহায়ত এইবোৰৰ দ্বাৰা অসীম সংখ্যক গূঢ় গঠন উৎপাদন কৰিব পৰা যায়। আনহাতে, এনে গূঢ় গাঁথনিত ৰূপান্তৰণ নিয়ম প্ৰয়োগ কৰি তাক বহিৰ্গাঁথনিত পৰিণত কৰিব পাৰি; অৰ্থাৎ, এটা শ্ৰেণীৰ বাক্যক আন এটা শ্ৰেণীলৈ নিব পাৰি। উদাহৰণ স্বৰূপে, বৃক্ষচিত্ৰ -১-ৰ সাৰ বাক্যটোত থকা ক্ৰিয়া বিশেষণ 'আজি'ৰ ঠাইত 'অলপতে', 'এই মাত্ৰ', 'কালি' আদি অন্য এটা ক্ৰিয়া বিশেষণ বহুওৱাটো খণ্ডবাক্য গাঁথনিক নিয়মৰ অন্তৰ্গত; আনহাতে, এই বাক্যটোকে নঞৰ্থক, প্ৰশ্নসূচক ইত্যাদি শ্ৰেণীলৈ নিয়াটো ৰূপান্তৰণ নিয়মৰ ভিতৰত পৰে। বৃক্ষচিত্ৰ-১-ৰ বাক্যটোত ৰূপান্তৰণ নিয়মাৱলী খটুৱালে নিম্নোক্ত বাক্যসমূহ পোৱা যাব ঃ

(১) ৰামে আজি এটা নতুন চোলা কিনিছে।

(২) ৰামে আজি এটা নতুন চোলা নিকিনিলে (বা কিনা নাই)।

(৩) ৰামে আজি এটা নতুন চোলা কিনিছে নে?

(৪) ৰামে আজি এটা নতুন চোলা নিকিনিছে নে? (বা কিনা নাই নে?)

(৫) ৰামে আজি এটা নতুন চোলা কিনিছে!

(৬) ৰামৰ দ্বাৰা আজি এটা নতুন চোলা কিনা হ'ল।

(৭) ৰামৰ দ্বাৰা আজি এটা নতুন চোলা কিনা নহ'ল (বা কিনা হোৱা নাই)।

(৮) ৰামৰ দ্বাৰা আজি এটা নতুন চোলা কিনা হৈছে নে?

(৯) ৰামৰ দ্বাৰা আজি এটা নতুন চোলা কিনা হোৱা নাই নে?

(১০) ৰামৰ দ্বাৰা আজি এটা নতুন চোলা কিনা হ'ল!

এই বাক্যসমূহ একেটা সাৰ সূত্ৰৰ পৰা সাধিত। ইয়াৰে ৫ নং আৰু ১০ নং বাক্য দুটা আকৌ সুৰ-লহৰৰ দ্বাৰাহে ৰূপান্তৰিত হৈছে। মন কৰিবলগীয়া যে, ভাষা একোটাৰ খণ্ডবাক্য গাঁথনিক নিয়মবোৰ ঐচ্ছিক; কিন্তু, ৰূপান্তৰণ নিয়মবোৰ ঐচ্ছিক আৰু আৱশ্যিক দুয়ো প্ৰকাৰৰ হ'ব পাৰে [Palmer 1971 : 150]।

ৰূপান্তৰ স্ফোট ব্যাকৰণত কেতবোৰ সাংকেতিক চিহ্ন ব্যৱহাৰ কৰা হয়। এইবোৰৰ অনুধাৱন অবিহনে এই ব্যাকৰণতত্ত্ব বুজা তেনেই কঠিন। গাঁথনিক ব্যাকৰণৰ সৈতে ইয়াৰ অন্যতম মৌলিক পাৰ্থক্যটো হ'ল — গাঁথনিক ব্যাকৰণৰ বিশ্লেষণ-পদ্ধতি ধ্বনিত আৰম্ভ হৈ ক্ৰমশঃ বাক্যৰ স্তৰলৈ গতি কৰে। আনহাতে, ৰূপান্তৰ স্ফোট ব্যাকৰণত ওলোটা প্ৰক্ৰিয়াৰে, অৰ্থাৎ বাক্যৰ পৰা ক্ৰমশঃ ধ্বনিলৈ তথ্য বিশ্লেষণ কৰা হয়। তদুপৰি, ইয়াৰ পৰিভাষাবোৰ মূলতঃ অঙ্ক-শাস্ত্ৰৰ পৰাহে আহৰিত। এই তত্ত্বৰ শিৰোনামাত ব্যৱহৃত উৎপাদক বা স্ফোট (Generative) শব্দটো সাধাৰণ অৰ্থত কোনো বস্তুৰ সৃষ্টি-কাৰ্যক বুজাবলৈ ব্যৱহাৰ কৰা হোৱা নাই। প্ৰচলিত সাহিত্যিক অৰ্থৰ সলনি ই অঙ্ক-শাস্ত্ৰৰ সৈতেহে অধিক সম্পৰ্কিত [Robins 1964 : 285]।